আপোনাৰ মনৰ কথা আমি কম

# আমি অসমৰ জনগণ

RNI-Regd. No. : ASSASS/2014/56968

গুৱাহাটী আৰু যোৰহাটৰ পৰা প্ৰকাশিত

e-paper : www.aajnews.in

৪ৰ্থ বছৰ ● সংখ্যা ২৪৫ ● ২৬ আহিন, ১৯৩৯ শক ● শুকুৰবাৰ, ১৩ অক্টোবৰ, ২০১৭ ● Aami Asomor Janagan, Vol-IV, No.-245 Guwahati, Friday, October 13, 2017 | গুৱাহাটী সংস্কৰণ | পৃষ্ঠা-১২ | মূল্য ঃ ৭.০০ টকা

এনআৰচি উন্নীতকৰণ প্ৰসংগত উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ ৰঞ্জন গগৈৰ নেতৃত্বত দুজনীয়া বিচাৰপীঠৰ গুৰুত্বপূৰ্ণ শুনানি

**পঞ্চায়তৰ নথি দাখিল কৰা ৪৭.০৯ লাখ আবেদনকাৰীৰ ১৭.৪০ লাখ লোকহে প্ৰকৃত বাসিন্দা**

# খিলঞ্জীয়াৰ ৰক্ষাকৱচ হ'ব সুৰক্ষিত !



**১৫ অক্টোবৰৰ শুনানিত নিৰ্ণয় হ'ব বাকী ২৯.৬৯ লাখ আবেদনকাৰীৰ ভাগ্য ঃ আদালতৰ ৰায়ক আদৰণি আছুৰ ঃ বাংলাদেশীৰ নামমুক্ত উন্নত নাগৰিকপঞ্জী প্ৰস্তুতৰ দাবী সমুজ্জ্বল ভট্টাচাৰ্যৰ ঃ প্ৰকৃত বাসিন্দাৰ সংজ্ঞা বিচাৰি জনোৱা আমছুৰ আবেদনৰ শুনানি ১৫ নৱেম্বৰত**





**জনগণ ষ্টাফ, ১২ অক্টোবৰ ঃ** অসমীয়া খিলঞ্জীয়াৰ ৰক্ষা-কৱচস্বৰূপ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কাম যিমানেই চমু চাপি আহিছে সিমানেই যেন উৎকণ্ঠা বৃদ্ধি পাইছে অসমৰ খিলঞ্জীয়া জনগণৰ। মহামান্য উচ্চতম ন্যায়ালয়ৰ প্ৰত্যক্ষ তত্ত্বাৱধান তথা নিৰীক্ষণত অসমৰ এন আৰ চিৰ কাম সুচাৰুৰূপে চলি থকা বুলি ৰাজ্য চৰকাৰে দাবী কৰিলেও নিৰ্ধাৰিত সময়ত এন আৰ চিৰ কাম সম্পূৰ্ণ হ'ব নে নহ'ব তাক লৈ কিন্তু সন্দেহৰ অৱকাশ নথকা নহয়। ■ ৮ পৃষ্ঠাত



ৰতন টাটাক সাক্ষাৎ মন্ত্ৰী হিমন্তৰ

## অসমত উন্নতমানৰ কেন্সাৰ হাস্পতাল স্থাপনৰ আহ্বান

**জনগণ ষ্টাফ, ১২ অক্টোবৰ ঃ** অসমবাসীৰ বাবে সু-খবৰ। অসমত স্থাপন হ'ব উচ্চমানৰ কেন্সাৰ হাস্পতাল। মুম্বাইৰ টাটা মেম'ৰিয়েল কেন্সাৰ হাস্পতালৰ আৰ্হিত হাস্পতাল স্থাপনৰ বাবে টাটা প্ৰতিষ্ঠানে সন্মতি প্ৰকাশ কৰিছে। অসমৰ স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুম্বাইত ৰতন টাটাক সাক্ষাৎ কৰি কেন্সাৰ হাস্পতাল ■ ৮ পৃষ্ঠাত

৩১ অক্টোবৰত নিউয়ৰ্কলৈ যাব মুখ্যমন্ত্ৰী সোণোৱাল

## অসমত বিনিয়োগৰ আহ্বান জনাব ছান ফ্ৰান্সিস্কোৰ বৈঠকত

**জনগণ ষ্টাফ, ১২ অক্টোবৰ ঃ** বিদেশ ভ্ৰমণলৈ ওলাইছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল। অহা ৩১ অক্টোবৰত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আমেৰিকা অভিমুখে যাত্ৰা কৰিব। মুখ্যমন্ত্ৰী হিচাপে এইটোৱেই হ'ব সৰ্বানন্দ সোণোৱালৰ ■ ৮ পৃষ্ঠাত

**দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱত শিক্ষানুষ্ঠানত উৎসৱমুখৰ পৰিৱেশ**

## শিলচৰৰ বিদ্যালয়ত শিক্ষকৰ ৰূপত মুখ্যমন্ত্ৰী সোণোৱাল

**মুখ্য সচিবে দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত, আৰক্ষী সঞ্চালক প্ৰধানে মিৰ্জাৰ শিক্ষানুষ্ঠানত কৰিলে পাঠদান**

**জনগণ ষ্টাফ, ১২ অক্টোবৰ ঃ** গুণোৎসৱক লৈ এতিয়া ৰাজ্যৰ বাৰখন জিলাত উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। যোৱা দহ অক্টোবৰৰ পৰা আৰম্ভ হোৱা দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱৰ কাইলৈ সমাপ্তি ঘটিব। ৰাজ্যৰ শিক্ষা বিভাগৰ এই অভিলাষী আঁচনিখনৰ প্ৰথম পৰ্যায়ৰ পিছত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ সুকলমে পৰিচালিত হোৱা পৰিলক্ষিত হৈছে। খোদ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মুখ্য সচিব, প্ৰাক্তন ■ ৮ পৃষ্ঠাত

**লুই বাৰ্জাৰ কেলেংকাৰীৰ চি বি আইৰ তদন্তৰ দ্বিতীয় ইনিংছ আৰম্ভ**



## তৰুণ গগৈ-হিমন্ত বিশ্বক তদন্তৰ আওতালৈ অনাৰ দাবী গুচৰীয়াৰ

**জনগণ ষ্টাফ, ১২ অক্টোবৰ ঃ** অসমৰ বহুচৰ্চিত লুই বাৰ্জাৰ কেলেংকাৰীৰ তদন্ত আৰম্ভ কৰিলে চি বি আয়ে। তদন্তকাৰী সংস্থাটোৰ দিল্লীস্থ বিষয়া ৰাজীৱ ৰঞ্জন আৰু অভিনিশ কুমাৰৰ নেতৃত্বত অহা চি বি আইৰ দলে আজি লুই বাৰ্জাৰ কেলেংকাৰীৰ গুচৰীয়াক তলব কৰি বিতং তথ্য আহৰণ কৰে। আজি দিনৰ ১১.৩০ বজাত বেতকুছিস্থিত চি বি আইৰ মাণ্ডলিক কাৰ্যালয়ত চি বি আইৰ বিষয়া দুগৰাকীয়ে গুচৰীয়া ভৱেন সন্দিকৈ, আব্দুল ৱাহিদ আৰু জয়ন্ত গগৈৰ পৰা সাক্ষ্য গ্ৰহণ কৰে। তিনিওজন গুচৰীয়াই লুই বাৰ্জাৰৰ ৭ কোটি টকীয়া উৎকোচ কেলেংকাৰীৰ বিতং তথ্য প্ৰদান কৰে। আমেৰিকাৰ আদালতৰ তথ্যৰ উপৰি আৰ টি আই যোগে সংগ্ৰহ কৰা বিভিন্ন তথ্য, ৰাজ্য চৰকাৰৰ প্ৰাক্তন অতিৰিক্ত মুখ্য সচিব সুভাষ দাসৰ প্ৰতিবেদন আদি বিভিন্ন গাণনিক ■ ৮ পৃষ্ঠাত

## ডেপুটেচনত থকা ৩ শীৰ্ষ আমোলাক মুখ্য সচিব পৰ্যায়লৈ পদোন্নতি

**সৰস্বতী প্ৰসাদ, সুমিত জেৰাথ, কুমাৰ সঞ্জয়কৃষ্ণক পদোন্নতি**

**জনগণ ষ্টাফ, ১২ অক্টোবৰ ঃ** অসম চৰকাৰে ৰাজ্যৰ ভিন্ন জিলাৰ উপায়ুক্ত পৰ্যায়ত অলপতে ব্যাপক সালসলনি ঘটোৱাৰ পিছত এইবাৰ প্ৰশাসন তথা আমোলা ব্যৱস্থাতো সালসলনি কৰিছে। সেই অনুসৰি ডেপুটেচনত থকা তিনি শীৰ্ষ আমোলাক মুখ্য সচিব পৰ্যায়লৈ পদোন্নতি প্ৰদান কৰিছে ৰাজ্য চৰকাৰে। সেই অনুসৰি কেন্দ্ৰীয় ডেপুটেচনত থকা সৰস্বতী প্ৰসাদ, সুমিত জেৰাথ আৰু কুমাৰ সঞ্জয়কৃষ্ণক দিয়া হৈছে পদোন্নতি । এই তিনিজন আই এ এছ বিষয়া আছিল পদোন্নতিৰ পূৰ্বে ৰাজ্য চৰকাৰৰ ■ ৮ পৃষ্ঠাত

দেশৰ ২ ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ ঘোষণা

## সকলো ভোট কেন্দ্ৰত স্থাপন হ'ব ভিভিপেটৰ ব্যৱস্থা

**৯ নৱেম্বৰত হিমাচল প্ৰদেশ, ১৮ ডিচেম্বৰৰ পূৰ্বে গুজৰাটত হ'ব ভোট ঃ নিৰ্বাচনী আচৰণবিধি বলৱৎ**

**জনগণ ষ্টাফ, ১২ অক্টোবৰ ঃ** '১৯ৰ লোকসভা নিৰ্বাচনক কেন্দ্ৰ কৰি ভাৰতীয় জনতা পাৰ্টী, কংগ্ৰেছকে ধৰি দেশৰ বিভিন্ন প্ৰভাৱশালী ৰাজনৈতিক দলে বিভিন্ন প্ৰান্তত এতিয়াৰে পৰাই আৰম্ভ কৰিছে নিৰ্বাচনী তৎপৰতা। ঠায়ে ঠায়ে আৰম্ভ হৈছে দলসমূহৰ প্ৰচাৰ অভিযানো। তাৰ সমান্তৰালভাৱে চলিছে বিধানসভা নিৰ্বাচনৰো ব্যাপক কুচকাৱাজ। ইতিমধ্যে দেশৰ দুখন ৰাজ্যত নিৰ্বাচনৰ দিন ঘোষণা কৰিছে নিৰ্বাচন আয়োগে। সেই অনুসৰি ৯ নৱেম্বৰত হিমাচল প্ৰদেশৰ নিৰ্বাচন আৰু ১৮ ডিচেম্বৰৰ পূৰ্বে গুজৰাটত অনুষ্ঠিত হ'ব বিধানসভা নিৰ্বাচন। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা অনুসৰি হিমাচল প্ৰদেশৰ ৭,৫২১টা ভোট কেন্দ্ৰত অনুষ্ঠিত ■ ৮ পৃষ্ঠাত

## দুই শিহৰণকাৰী হত্যাকাণ্ডই জোকাৰিছে ৰাজ্য

**বঙাইগাঁৱত জোঁৱায়েকৰ দাৰ ঘাপত শহুৰেকৰ মৃত্যু, তেজপুৰত দুৰ্বৃত্তই হত্যা কৰি ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত পেলাই থৈ গ'ল মৃতদেহ**

**জনগণ সেৱা, বঙাইগাঁও, ১২ অক্টোবৰ ঃ** বুধবাৰে সন্ধিয়া সাতমান বজাত বঙাইগাঁও সদৰ থানাৰ অধীনৰ ধলাগাঁৱত সংঘটিত এক ঘটনাত জোঁৱায়েকে দাৰে ঘপিয়াই শহুৰেকক গুৰুতৰভাৱে আহত কৰে। অৱশ্যে পিছত শহুৰেক হৰেন বৰ্মনক উন্নত চিকিৎসাৰ বাবে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰে যদিও নিশা ১০ মান বজাত হৰেন বৰ্মনৰ ■ ৮ পৃষ্ঠাত



**তেজপুৰৰ বিজেপি সাংসদৰ বাবে স্থানৰ অভাৱ**

## আৰ পি শৰ্মাক 'ঘৰ ৱাপছী'ৰ আহ্বান প্ৰদ্যুৎ বৰদলৈৰ

**ৰাজীৱ ভৱনত চৰকাৰক থকা-সৰকা ঃ বৃহত্তৰ নাগালিমক লৈ বিজেপিৰ স্থিতিক সমালোচনা**

**জনগণ ষ্টাফ, ১২ অক্টোবৰ ঃ** বিজেপি সাংসদ আৰ পি শৰ্মাক কংগ্ৰেছত যোগ দিবলৈ আহ্বান জনাইছে প্ৰদেশ কংগ্ৰেছে। আজি প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি তথা প্ৰাক্তন মন্ত্ৰী প্ৰদ্যুৎ বৰদলৈয়ে ৰাজীৱ ভৱনত এখন সংবাদ মেলক সম্বোধন কৰি ■ ৮ পৃষ্ঠাত





*খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত কৃষক সভাত মন্ত্ৰী অতুল বৰা*

**কাছাৰত পথ প্ৰকল্পৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰীৰ**

## বৰাকৰ যোগাযোগ ব্যৱস্থা সুচল কৰাৰ প্ৰতিশ্ৰুতি সোণোৱালৰ



**জনগণ সেৱা, শিলচৰ, ১২ অক্টোবৰ ঃ** কাছাৰৰ লগতে বৰাক উপত্যকাৰ সমগ্ৰ অঞ্চলৰ পথ যোগাযোগ ব্যৱস্থা উন্নীতকৰণৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি উদাৰবন্দত শিলচৰ-কুম্ভীৰগ্ৰাম পথ উন্নীতকৰণ (মহাচড়কৰ গোসাইপুৰ পইণ্টৰ পৰা কুম্ভীৰগ্ৰাম বিমানবন্দৰলৈ) প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপন উপলক্ষে ■ ৮ পৃষ্ঠাত

মন্ত্ৰী ৰিহন দৈমাৰীৰ তৎপৰতাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সাফল্য

## জানুৱাৰীৰ পৰা চন্দ্ৰপুৰত ২৪ ঘণ্টাই ঘৰে ঘৰে বিশুদ্ধ খোৱাপানী যোগান



**গ্ৰেটাৰ চন্দ্ৰপুৰ-ডিমৰীয়া পানী যোগান আঁচনিৰ জৰিয়তে সাত হাজাৰ পৰিয়াল হ'ব উপকৃত**

**জনগণ ষ্টাফ, ১২ অক্টোবৰ ঃ** পানীয়েই প্ৰাণ। পানী অবিহনে জীৱকুলৰ মৃত্যু অনিবাৰ্য। পৱিত্ৰ ধৰ্মগ্ৰন্থ ঋক্‌বেদতো উল্লেখ আছে— পানীয়েই ঔষধ, পানীয়েই ব্যাধি নাশ কৰি দেহক প্ৰাণৱন্ত কৰি ৰাখে। কিয়নো, পানী সমস্ত ৰোগৰ মহৌষধ। উল্লেখ্য যে অসমৰ জনসাধাৰণক বিশুদ্ধ খোৱাপানী যোগানৰ নামত ৰাজ্য চৰকাৰে বছৰৰ পাছত বছৰ ধৰি ■ ৮ পৃষ্ঠাত

**খানাপাৰাত কৃষক দিৱসত মন্ত্ৰী অতুল বৰাৰ ঘোষণা**

## ৰাজ্যৰ কৃষকক প্ৰদান কৰা হ'ব পৰিচয়-পত্ৰ

**১০৭টা পশু চিকিৎসক, ৫ শতাধিক তৃতীয় বৰ্গৰ কৰ্মচাৰীৰ খালী পদ শীঘ্ৰে পূৰণৰ প্ৰতিশ্ৰুতি**

**জনগণ ষ্টাফ, ১২ অক্টোবৰ ঃ** ৰাজ্যত প্ৰলয়ংকৰী বানে এইবাৰ তচ্‌নচ্‌ কৰি পেলাইছে কৃষিভূমি। থান-বান হৈছে কৃষকৰ সেউজভৰা সপোনবোৰ। পৰ্যাপ্ত বীজৰ অভাৱত খেতি কৰিব নোৱাৰা কৃষকৰ মূৰৰ ওপৰত ভাগি পৰিছে সৰগ। তৎসত্ত্বেও কিন্তু ৰাজ্যৰ কৃষিখণ্ডত বৈপ্লৱিক পৰিৱৰ্তন অনাৰ কথা কোৱা কৃষিমন্ত্ৰী অতুল বৰাই কৃষিখণ্ডৰ ■ ৮ পৃষ্ঠাত

**উত্তৰ কামৰূপত বিশ্বপ্ৰসিদ্ধ অষ্ট্ৰেলিয়ান তাৰকা পেচ বলাৰ**

## গুৱাহাটী আই আই টিৰ বাৰ্ষিক ক্ৰীড়া মহোৎসৱ 'স্পিৰিট' উদ্বোধন ব্ৰেট লীৰ



**জনগণ সেৱা, উত্তৰ গুৱাহাটী, ১২ অক্টোবৰ ঃ** গুৱাহাটী আই আই টিত ১১ অক্টোবৰৰ পৰা ১৫ অক্টোবৰলৈ অনুষ্ঠিত হ'ব বাৰ্ষিক ক্ৰীড়া মহোৎসৱ 'স্পিৰিট'। কালি সন্ধিয়া বিশ্বপ্ৰসিদ্ধ অষ্ট্ৰেলিয়ান তাৰকা পেচ বলাৰ ব্ৰেট লীয়ে 'কক্‌লিয়েৰ' নামৰ শ্ৰৱণশক্তিহীন ব্যক্তিসকলৰ মংগলাৰ্থে কাম কৰি যোৱা এটা আন্তঃৰাষ্ট্ৰীয় অনুষ্ঠানৰ হৈ এই উৎসৱত উপস্থিত হোৱাৰ লগতে ক্ৰীড়া উৎসৱ স্পিৰিটৰ শুভ উদ্বোধন কৰে। এই মহান ক্ৰিকেটাৰজনে উদ্বোধনী অনুষ্ঠানটোৰ পাছতে আই আই টি গুৱাহাটীৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত মত বিনিময় কৰে। ব্ৰেট লীয়ে ক্ৰীড়াজীৱনৰ বহুতো মনোগ্ৰাহী কথা ছাত্ৰ-ছাত্ৰীসকলৰ ■ ৮ পৃষ্ঠাত

